জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৬৩/২০২১

আভ্যন্তৰীণ জলপৰিবহন সেৱাৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

# বৈঠকত যাত্ৰী সুৰক্ষা সংক্ৰান্তীয় একাধিক সিদ্ধান্ত গ্ৰহণ

# যাত্ৰাবাহী ফেৰীৰ একক ইঞ্জিনবোৰ মেৰিন ইঞ্জিনলৈ সলনি কৰাৰ খৰচ বহন কৰিব চৰকাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১২ ছেপ্টেম্বৰ ঃ** নিমাতীঘাটত সংঘটিত হোৱা নাও দুৰ্ঘটনাৰ পিছত শনিবাৰে নিশা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত মুখ্যমন্ত্ৰীৰ সভাকক্ষত আভ্যন্তৰীণ জলপৰিবহন সংক্ৰান্তত এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত নিমাতীঘাট আৰু মাজুলীৰ মাজত তথা ৰাজ্যখনৰ অন্যান্য ঠাইত ফেৰী আৰু জাহাজ চলাচল সন্দৰ্ভত এখন নতুন মান সম্পন্ন পৰিচালনা বিধি (এছ অ' পি) প্ৰস্তুত কৰাৰ বাবে বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়।

নতুন মান সম্পন্ন পৰিচালনা বিধি অনুসৰি মেৰিন ইঞ্জিন থকা ফেৰীসমূহৰ বাদে সকলোবোৰ ব্যক্তিগত ফেৰীৰ চলাচল বাতিল কৰিববলৈ সিদ্ধান্ত লোৱা হয়। মাজুলী আৰু যোৰহাটৰ মাজত দুখন ৰো-পেক্সকে ধৰি সৰ্বমুঠ ৬ খন চৰকাৰী ফেৰীয়ে সেৱা আগবঢ়াব। খৰালি কালত নদীপথটোৰে যাতায়াত সুচল কৰি ৰখাৰ বাবে ড্ৰেজাৰেৰে নদীবক্ষ খননৰ ব্যৱস্থা লোৱা হ'ব। মাজুলী আৰু যোৰহাটৰ মাজত চলাচল কৰা সৰ্বমুঠ ১৯ খন ফেৰীত সম্পূৰ্ণ চৰকাৰী খৰচত অহা ৬ মাহৰ ভিতৰত মেৰিন ইঞ্জিন সংযোজন কৰা হ'ব। ফেৰীৰে যাতায়াত কৰাৰ ক্ষেত্ৰত সকলো যাত্ৰীয়ে লাইফ জেকেট পৰিধান কৰিব লাগিব। ফেৰীসমূহে লংগৰ পেলাবলৈ মাজুলী আৰু যোৰহাটৰ পাৰঘাটসমূহত অতি কমেও দুটাকৈ ৰেম্প বা অস্থায়ী জেটিৰ ব্যৱস্থা কৰা হ'ব। ফেৰীসমূহৰ আগমন আৰু প্ৰস্থানৰ সময়ত মাজুলী আৰু যোৰহাট জিলাৰ প্ৰতিখনৰে এগৰাকীকৈ দণ্ডাধীশক গতিবিধি নিৰীক্ষণ কৰাৰ বাবে দায়িত্বত ন্যস্ত কৰা হ'ব আৰু তেওঁলোকে সংশ্লিষ্ট উপায়ুক্তসকলক দৈনিক প্ৰতিবেদন দাখিল কৰিব।

ফেৰীত উঠাৰ পূৰ্বে প্ৰতিগৰাকী যাত্ৰীক টিকট দিয়া হ'ব আৰু তেওঁলোকৰ নাম, ঠিকনা তথা যোগাযোগৰ নম্বৰ এখন ৰেজিষ্টাৰত লিপিবদ্ধ কৰা হ'ব। ফেৰীসমূহৰ চলাচলৰ বাবে ইন্ধন যোগান ব্যৱস্থা বিত্ত বিভাগৰ চিলিঙৰ আওঁতাৰ পৰা মুক্ত কৰা হ'ব।

মাজুলী আৰু যোৰহাট জিলাৰ উপায়ুক্তদুগৰাকীয়ে সঘনে পাৰঘাটসমূহৰ ব্যৱস্থাপনা নিৰীক্ষণ কৰিব। সেইদৰে ফেৰীসেৱা সু-সংবদ্ধ কৰি ৰখাৰ বাবে আভ্যন্তৰীণ জলপৰিবহনৰ সঞ্চালককে ধৰি পৰিবহন বিভাগ আৰু আভ্যন্তৰীণ জলপৰিবহনৰ জ্যেষ্ঠ বিষয়াসকলে নিয়মীয়াকৈ পাৰঘাটসমূহ পৰিদৰ্শন কৰিব।

প্ৰতিটো ঘাটতে শৌচাগাৰ, বিশুদ্ধ খোৱাপানী, জিৰণি চ'ৰাকে ধৰি ন্যূনতম সা-সুবিধাসমূহ যাত্ৰীসকলক প্ৰদান কৰা হ'ব।

আভ্যন্তৰীণ জলপৰিবহনৰ নিৰ্দ্ধাৰিত কৰ্তৃপক্ষই ব্যৱহাৰৰ পূৰ্বে প্ৰতিখন ফেৰীৰ সুৰক্ষা সংক্ৰান্তীয় পৰীক্ষা (ছেফ্‌টি অডিট) কৰিব। ফেৰীসমূহৰ ব্যৱহাৰৰ উপযোগিতা, অগ্নি নিৰ্বাপন আৰু জীৱন ৰক্ষক সামগ্ৰীৰ উপলব্ধতা তথা ফেৰীৰ কৰ্মচাৰীসকলৰ যোগ্যতা সংক্ৰান্তত নিৰীক্ষণ কৰা হ'ব। জৰীপ প্ৰমাণ পত্ৰ আৰু পঞ্জীয়ন প্ৰমাণ পত্ৰ প্ৰদানৰ পূৰ্বে এই সংক্ৰান্তীয় তথ্যসমূহ 'ছাৰ্ভেয়াৰ ডিকলেৰেশ্যন ফ'ৰ্ম'ত লিপিবদ্ধ কৰি ৰখা হ'ব। ফেৰীসমূহত লাউড স্পীকাৰৰ জৰিয়তে মাষ্টৰ (ফেৰীৰ তত্ত্বাৱধায়ক) গৰাকীয়ে যাত্ৰীসকলক জৰুৰীকালীন ব্যৱস্থা, লাইফ জেকেট পৰিধানৰ বিধি, লাইফ ব'য় ব্যৱহাৰ আদি সংক্ৰান্তীয় সুৰক্ষা বিধিসমূহ অৱগত কৰিব। ইয়াৰ বাবে আভ্যন্তৰীণ জলপৰিবহনৰ তৰফৰ পৰা লিখিতভাৱে নিৰ্দেশাৱলী যোগান ধৰা হ'ব। ফেৰীসমূহত প্ৰতি চাৰিগৰাকী যাত্ৰীৰ বিপৰীতে এটাকৈ লাইফ ব'য় থাকিব লাগিব আৰু প্ৰতিটো লাইফ ব'য়ত অন্ততঃ ৩০ ফুট দীঘল একোডালকৈ ৰচি সংলগ্ন হৈ থাকিব লাগিব। তাৎক্ষণিকভাৱে যাতে পানীত পৰা ব্যক্তিলৈ এই লাইফ ব'য় দলিয়াই দিব পৰা যায় তাৰ বাবে 'গাৰ্ড ৰেইল'ত এইসমূহ ওলমাই থ'ব লাগিব। পাৰঘাটৰ তত্ত্বাবধায়ক আৰু মাষ্টৰে এক নিৰ্ভৰযোগ্য যোগাযোগ ব্যৱস্থা বাহাল ৰখাৰ লগতে ফোনৰ জৰিয়তে নিয়মীয়াকৈ যোগাযোগ ৰাখিব লাগিব। পাৰঘাটৰ তত্ত্বাবধায়ক আৰু মাষ্টৰক চৰকাৰে চিম কাৰ্ড যোগান ধৰিব। ফেৰীৰ ভিতৰত আৰু পাৰঘাটত লাউড স্পীকাৰ ব্যৱহাৰ কৰি সুৰক্ষা সংক্ৰান্তীয় বিধিসমূহ ৰাইজক অৱগত কৰিব লাগিব। প্ৰতিখন ফেৰীতে 'ফাৰ্ষ্ট এইড বক্স' ৰাখিব লাগিব। প্ৰতিখন ফেৰীতে লেহুকা মেনিলা ৰচিৰে সৈতে অতি কমেও দুটাকৈ লংগৰ থাকিব লাগিব। ইঞ্জিন ৰুমৰ ভিতৰত এটা কাৰ্বন ডাই অক্সাইড আৰু এটা ফ'ম যুক্ত অগ্নিনিৰ্বাপক সঁজুলি থাকিব লাগিব। ধুমুহাৰ উপৰি ভাল বতৰৰ সময়তো ফেৰীখনে যাতে সহজে লংগৰ পেলাব পাৰে তাৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী উপলব্ধ কৰিব ৰাখিব লাগিব। মাষ্টৰকে ধৰি ফেৰীৰ প্ৰতিগৰাকী কৰ্মীৰ বাবে ফেৰী চলোৱাৰ ক্ষেত্ৰত মানি চলিবলগীয়া ন্যূনতম বিধি, জৰুৰীকালীন অৱস্থাৰ মোকাবিলা কৰা আদি সংক্ৰান্তীয় প্ৰশিক্ষণৰ ব্যৱস্থা লোৱা হ'ব। যিকোনো আপাদকালীন পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ মাজুলীত এটা এছ ডি আৰ এফৰ দল সাজু কৰি ৰখা হ'ব। প্ৰতিখন ফেৰীয়ে যাত্ৰী আৰু সামগ্ৰী কঢ়িওৱা ক্ষমতা সংক্ৰান্তীয় চাইন ব'ৰ্ড আৰি থ'ব লাগিব। কোনো পৰিস্থিতিতে অত্যাধিক ওজন কঢ়িয়াবলৈ অনুমতি দিয়া নহ'ব। আভ্যন্তৰীণ জলপৰিবহনৰ নিৰ্দ্ধাৰিত কৰ্তৃপক্ষৰ পূৰ্ব অনুমতি অবিহনে যাত্ৰী কঢ়িওৱা ফেৰীৰ মাষ্টৰ বা তত্ত্বাবধয়াকক সলনি কৰিবলৈ অনুমতি দিয়া নহ'ব। পাৰঘাটসমূহত চিকিৎসা কেম্প স্থাপন কৰা হ'ব আৰু তাত ঔষধপাতি সহ এএনএমে সেৱা আগবঢ়াব।

এই সিদ্ধান্তসমূহৰ উপৰি বৈঠকত ফেৰীসেৱা ৰাজ্যজুৰি সুসংবদ্ধ কৰা তথা যাত্ৰীসকলৰ সুৰক্ষাৰ বাবে আন বহুতো সিদ্ধান্ত লোৱা হয়। জীৱনডিঙা আঁচনিৰ অধীনত আবেদন কৰা ৮৫০ খন ব্যক্তিগত যাত্ৰীবাহী ফেৰীক চৰকাৰে বিনামূলীয়াকৈ মেৰিন ইঞ্জিন যোগান ধৰিব। আভ্যন্তৰীণ জলপৰিবহন সঞ্চালকালয়ে নিযুক্ত কৰা জৰীপকাৰীয়ে ফেৰীৰ সক্ষমতাৰ প্ৰমাণপত্ৰ দিয়াৰ পিছতহে এই মেৰিন ইঞ্জিন

সংস্থাপন কৰা হ'ব আৰু ৮ মাহৰ ভিতৰত এই সমগ্ৰ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব।

পৰিবহন বিভাগৰ প্ৰধান সচিব ড০ কে কে দ্বিৱেদী, মুখ্য মন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, পৰিবহন আয়ুক্ত আদিল খান আৰু আভ্যন্তৰীণ জলপৰিবহনৰ জ্যেষ্ঠ বিষয়াসকল এই বৈঠকত উপস্থিত থাকে।

**সুঃদঃ / বীঃগঃ**
**১২-০৯-২০২১**